# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 18-DEC-2025
**Time :** 1800 HRS

# *Assamese Evening Bulletin*

———————————————

ooooo

১। স্বচ্ছ আৰু মেধা ভিত্তিক নিযুক্তি প্ৰক্ৰিয়াৰ অংশ হিচাপে ৪৩ গৰাকী নগৰীয়া কাৰিকৰী বিষয়াক নিযুক্তি পত্ৰ প্ৰদান।

২। ৰাতাবাৰী সমষ্টিৰ বিজেপিৰ বিধায়ক বিজয় মালাকাৰৰ নাগৰিকত্বক লৈ ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰলৈ জাননী।

৩। প্ৰধানমন্ত্ৰী মোদীৰ আসন্ন অসম ভ্ৰমণ সন্দৰ্ভত গুৱাহাটীত প্ৰস্তুতি সভা। **আৰু**

৪। বিদেশী ন্যায়াধীকৰণে বিদেশী বুলি ঘোষণা কৰা ১৫ জন লোকক নগাঁও জিলা প্ৰশাসনৰ ২৪ ঘণ্টাৰ ভিতৰত ভাৰত ত্যাগৰ নিৰ্দেশ।

ooooo

স্বচ্ছ আৰু মেধা ভিত্তিক নিযুক্তি প্ৰক্ৰিয়াৰ অংশ হিচাপে আজি ৪৩ গৰাকী নগৰীয়া কাৰিকৰী বিষয়াক নিযুক্তি পত্ৰ প্ৰদান কৰা হয়। ইয়াৰ ভিতৰত ১৬ গৰাকী মেকানিকেল অভিযন্তা, ১১ গৰাকী বৈদ্যুতিক অভিযন্তা, ৮ গৰাকী জনস্বাস্থ্য অভিযন্তা, ৬ গৰাকী পৰিৱেশিক অভিযন্তা আৰু দুগৰাকী ব্যৱহাৰিক অভিযন্তা আছে। দিছপুৰৰ লোকসেৱা ভৱনৰ চৌহদত আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই নিযুক্তি পত্ৰসমূহ প্ৰদান কৰে। ড০ শৰ্মাই তেওঁৰ ভাষণত পৌৰ নিগম আৰু নিকায়সমূহৰ ৰাজহ ৩০ শতাংশ বৃদ্ধি হৈছে বুলি প্ৰকাশ কৰে।

**বাইট (চি এম)**

অনুষ্ঠানত গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ মন্ত্ৰী জয়ন্ত মল্লবৰুৱা উপস্থিত থাকে।

ooooo

ৰাতাবাৰী সমষ্টিৰ বিজেপিৰ বিধায়ক বিজয় মালাকাৰৰ নাগৰিকত্বক লৈ আজি গুৱাহাটী উচ্চ ন্যায়ালয়ে বিধায়কগৰাকীৰ লগতে ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰলৈ জাননী জাৰি কৰিছে। ন্যায়ালয়ে চাৰি সপ্তাহৰ ভিতৰত তিনিওটা পক্ষকে উত্তৰ দিবলৈ নিৰ্দেশ দিছে। উল্লেখযোগ্য যে, বিধায়কগৰাকীৰ নাগৰিকত্ব সন্দৰ্ভত সন্দেহ প্ৰকাশ কৰি দুগৰাকী ব্যক্তিয়ে ন্যায়ালয়ত লেখ আবেদন দাখিল কৰিছিল। আজি শুনানী সন্দৰ্ভত এগৰাকী অধিবক্তাই এইদৰে কয়।

**-বাইট-**

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অসম ভ্ৰমণ সন্দৰ্ভত আজি বশিষ্ঠৰ অটল বিহাৰী বাজপেয়ী ভৱনত এখন প্ৰস্তুতি সভা অনুষ্ঠিত হয়। সভাত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা, দলৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়া, ৰাজ্যিক সাংগঠনিক সাধাৰণ সম্পাদক ৰবীন্দ্ৰ ৰাজুকে ধৰি অন্যান্য মন্ত্ৰী, বিধায়ক তথা দলীয় কৰ্মকৰ্তাসকল উপস্থিত থাকে। সভাত প্ৰধানমন্ত্ৰী মোদীৰ দুদিনীয়া ভ্ৰমণসূচীৰ সকলো কাৰ্যসূচী সাফল্যমণ্ডিত কৰাৰ উদ্দেশ্যে সকলো দিশ সামৰি আলোচনা কৰা হয়।

উল্লেখযোগ্য যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পৰহিলৈ গুৱাহাটীত লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ প্ৰতিমূৰ্তি উন্মোচন কৰিব। তেওঁ লগতে বৰঝাৰৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰৰ নৱনিৰ্মিত টাৰ্মিনেল উদ্বোধন কৰিব। এই টাৰ্মিনেলৰ উদ্বোধনে অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ ৰাজ্য কেইখনৰ আন্ত-গাঁথনিৰ উপৰি যোগাযোগ ব্যৱস্থা, উদ্যোগ-বাণিজ্য আৰু পৰ্যটনকে ধৰি সৰ্বাংগীন উন্নয়ন ত্বৰান্বিত কৰিব বুলি আশা কৰা হৈছে। এই অত্যাধুনিক বিমান বন্দৰ টাৰ্মিনেলে বছৰি ১ কোটি ৩১ লাখ যাত্ৰীক সেৱা আগবঢ়াব। সেইদিনাই তেওঁ ৰাজ্যিক বিজেপিৰ কাৰ্যালয়ত দলৰ কৰ্মকৰ্তাসকলৰ সৈতে মত বিনিময় কৰিব। প্ৰধানমন্ত্ৰীগৰাকী প্ৰথমবাৰৰ বাবে এই কাৰ্যালয়লৈ অহাটো ৰাজ্যিক বিজেপিৰ বাবে সৌভাগ্যৰ কথা বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। প্ৰধানমন্ত্ৰী মোদীৰ সন্মানাৰ্থে কৰ্মকৰ্তাসকলে ৰোড শ্ব'ৰ আয়োজন কৰিব বুলিও ড০ শৰ্মাই জানিবলৈ দিয়ে।

প্ৰধানমন্ত্ৰী মোদীয়ে ২১ ডিচেম্বৰত গুৱাহাটীৰ নৌ পৰিবহণ টাৰ্মিনেলত চৰাইদেউ জাহাজত ৰাজ্যৰ ২৫ গৰাকী মেধাৱী শিক্ষাৰ্থীৰ সৈতে **পৰীক্ষা পে চৰ্চা** অৰ্থাৎ পৰীক্ষা সম্পৰ্কীয় বিষয় লৈ আলোচনা কৰিব। ইয়াৰ পাছত তেওঁ অসম আন্দোলনৰ অমৰ ছহিদসকলৰ স্মৃতিত গুৱাহাটীৰ পশ্চিম বৰাগাঁৱত নিৰ্মাণ কৰা ছহিদ স্মাৰক ক্ষেত্ৰ পৰিদৰ্শন কৰিব। তেওঁ লগতে ৮৬০ গৰাকী বীৰ ছহিদক প্ৰণিপাত জনাই ছহিদ বেদীত পুষ্পাঞ্জলি অৰ্পণ কৰিব। ইয়াৰ পৰিপ্ৰেক্ষিতত আজিৰে পৰা ২১ ডিচেম্বৰলৈ দৰ্শনাৰ্থীৰ বাবে ছহিদ স্মাৰক বন্ধ থাকিব বুলি গুৱাহাটী মেট্ৰ'পলিটান উন্নয়ন প্ৰাধিকৰণে এখন জাননীযোগে প্ৰকাশ কৰিছে।

শ্ৰীমোদী সেইদিনাই নামৰূপলৈ যাব আৰু তেওঁ নামৰূপ সাৰ কাৰখানাত নতুন ব্ৰাউনফিল্ড এমনিয়া ইউৰিয়া প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব। তেওঁ লগতে এখন জনসভাতো অংশ ল'ব। নামৰূপত ব্ৰহ্মপুত্ৰ ভেলী ফাৰ্টিলাইজাৰ কৰ্পোৰেচেন লিমিটেডৰ বৰ্তমানৰ চৌহদত ১০ হাজাৰ কোটিৰো অধিক টকা ব্যয়সাপেক্ষে নিৰ্মাণ হ'বলগীয়া চতুৰ্থটো সাৰ প্ৰকল্পই ৰাজ্যখনৰ অৰ্থনীতি শক্তিশালী কৰাত সহায় কৰিব বুলি আশা কৰা হৈছে।

০০০০০

বিদেশী ন্যায়াধীকৰণে নগাঁও জিলাৰ ১৫ জন লোকক বিদেশী বুলি ঘোষণা কৰাৰ পৰিপ্ৰেক্ষিতত জিলা আয়ুক্ত দেৱাশীষ শৰ্মাই এটা নিৰ্দেশযোগে লোককেইজনক ২৪ ঘণ্টাৰ ভিতৰত ভাৰত ত্যাগ কৰিবলৈ জাননী জাৰি কৰিছে। এই নিৰ্দেশ অমান্য কৰিলে তেওঁলোকৰ বিৰুদ্ধে বিহিত ব্যৱস্থা গ্ৰহণ কৰিব বুলি জাননীখনত উল্লেখ কৰা হৈছে। উল্লেখযোগ্য যে নগাঁও জিলাৰ বিভিন্ন অঞ্চলৰ ঠিকনা দিয়া এই লোককেইজনৰ ৰাজ্যৰ অন্যান্য ঠাইতো ঠিকনা আছে।

০০০০০ৰ

কৃষি মন্ত্ৰী অতুল বৰাই আজি ৰাষ্ট্ৰীয় খোৱা তেল মিছন তৈল খেজুৰ আঁচনি ৰূপায়ণ সন্দৰ্ভত পতঞ্জলি ফুডছ লিমিটেড, গডৰেজ এগ্ৰোভেট, থ্ৰি এফ অইল পাম, কে ই কালটিভেচন লিমিটেড, শিৱাশীচ অইল পাম লিমিটেডৰ প্ৰতিনিধি আৰু সংশ্লিষ্ট বিভাগৰ বিষয়াসকলৰ সৈতে বৈঠকত মিলিত হয়। মন্ত্ৰীগৰাকীয়ে বৈঠকত ৰাজ্যত আঁচনিখনৰ ৰূপায়ণৰ শেহতীয়া অগ্ৰগতিৰ বুজ লয় আৰু আঁচনিখনৰ লক্ষ্যত উপনীত হোৱাৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিয়ে। বৈঠকত কৃষি বিভাগৰ সঞ্চালক ডাঃ পি উদয় প্ৰবীণ, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ আয়ুক্ত কীৰ্তি জল্লী, ভূমি ৰেকৰ্ড আৰু জৰীপ বিভাগৰ সঞ্চালক কৈলাশ কাৰ্তিক, অসম কৃষি বিশ্ববিদ্যালয়ৰ গৱেষণা সঞ্চালক ড০ সঞ্জয় কুমাৰ চেতিয়া, ৰাজহ আৰু দুৰ্য্যোগ ব্যৱস্থাপনা, বন আৰু পৰিৱেশ আৰু উদ্যোগ আৰু বাণিজ্য বিভাগৰ সংশ্লিষ্ট বিষয়াসকল উপস্থিত থাকে।

০০০০০

শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আজি ধেমাজি বিধান সভা সমষ্টিত মুখ্যমন্ত্ৰীৰ বিশেষ আঁচনিৰ অধীনত নৱম শ্ৰেণীৰ শিক্ষাৰ্থীসকলক বিনামূলীয়া চাইকেল বিতৰণ কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। নৰৰত্ন উচ্চ মাধ্যমিক বিদ্যালয়ত এই উপলক্ষ্যে আয়োজিত এটা অনুষ্ঠানত অংশ লৈ শিক্ষামন্ত্ৰীগৰাকীয়ে কয় যে এই আঁচনিয়ে দুৰণিবতীয়া ছাত্ৰ-ছাত্ৰীসকলক বিদ্যালয়লৈ অহা-যোৱা কৰাত সহায় কৰিব আৰু ইয়াৰ ফলত তেওঁলোকৰ বিদ্যালয়ত উপস্থিতিৰ হাৰ

বৃদ্ধি পাব। তেওঁ আঁচনিৰ জৰিয়তে উপকৃত হোৱা সকলো শিক্ষাৰ্থীৰ সফল শৈক্ষিক ভৱিষ্যতৰ বাবে শুভেচ্ছা জনায়। উল্লেখযোগ্য যে ধেমাজি সমষ্টিৰ ৩ হাজাৰ ৩০৮ গৰাকী শিক্ষাৰ্থী এই আঁচনিৰ দ্বাৰা উপকৃত হ'ব।

০০০০০

উত্তৰ-পূৱ ভাৰতৰ পৰিৱেশ আৰু বন্যপ্ৰাণী সংৰক্ষণকাৰী গোষ্ঠী নেচাৰ্ছ বেকনে ধেমাজি জিলাৰ বিভিন্ন শিক্ষানুষ্ঠানত আজিৰে পৰা পৰা দিৱসৰ কাৰ্যসূচী গ্ৰহণ কৰিছে। নেচাৰ্ছ বেকনৰ সঞ্চালক তথা পৰিৱেশকৰ্মী সৌম্যদ্বীপ দত্তই আজি ধেমাজিৰ আৱৰ্ত ভৱনত এখন সংবাদমেলত জিলাখনৰ পৰা অৰণ্যৰ সংৰক্ষণৰ গুৰুত্ব আৰু এই ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীৰ কৰণীয় সন্দৰ্ভত সজাগতা সৃষ্টিৰ উদ্দেশ্যে পৰা দিৱস শীৰ্ষক বিশেষ কাৰ্যসূচী গ্ৰহণৰ কথা জানিবলৈ দিয়ে। ধেমাজি উচ্চতৰ মাধ্যমিক বিদ্যালয়ত এই দিৱসৰ শুভাৰম্ভ কৰা হয়। অনুষ্ঠানত নেচাৰ্ছ বেকনৰ ধেমাজি জিলাৰ সমন্বয়ক যুগল সন্দিকৈ, বন্যপ্ৰাণী ফটোগ্ৰাফাৰ নবীন কামানকে ধৰি কেইবাগৰাকী বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে।

০০০০০

অসম মন্ত্ৰীসভাই বি টি চিলৈ ২৫০ কোটি টকা আৱণ্টনৰ বাবে অনুমোদন জনাইছে। আজি দিছপুৰত অনুষ্ঠিত মন্ত্ৰীসভাৰ বৈঠকৰ পাছত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এখন সংবাদমেলত এই বিষয়ে প্ৰকাশ কৰে। মুখ্যমন্ত্ৰীয়ে চাহ শ্ৰমিকক ভূমি প্ৰদানৰ বাবে ভূমি চিলিং সংশোধন কৰা সন্দৰ্ভত মন্ত্ৰীসভাই অনুমোদন জনোৱাৰ কথাও উল্লেখ কৰে। ইয়াৰ লগতে দৃষ্টিহীন বিশ্বকাপ ক্ৰিকেট বিজয়ী ভাৰতীয় দলৰ সদস্যা চিমু দাসক শাৰীৰিক প্ৰশিক্ষক পদত নিযুক্তি দিয়াৰ বাবে মন্ত্ৰীসভাই এটা প্ৰস্তাৱ গ্ৰহণ কৰে। আজি মন্ত্ৰীসভাই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অসম ভ্ৰমণৰ প্ৰস্তুতি সন্দৰ্ভতো বিভিন্ন বিষয়ে আলোচনা কৰে।

০০০০০

আকাশবাণী গুৱাহাটীৰ অহা শনিবাৰে নিশা ৮ বাজি ২ মিনিটৰ দৃষ্টিপাত অনুষ্ঠানত কেন্দ্ৰীয় চৰকাৰৰ নতুন ১২৫ দিনীয়া নিয়োগ নিশ্চিত আঁচনি সন্দৰ্ভত এটা আলোচনা প্ৰচাৰ কৰা হ'ব। এই অনুষ্ঠানত জ্যেষ্ঠ সাংবাদিক নৰেশ কলিতা আৰু অসম ৰাজ্যিক বিজেপিৰ মুখপাত্ৰ ড° দেৱজিৎ মহন্তই অংশগ্ৰহণ কৰিব। অনুষ্ঠানটিৰ পৰিকল্পনা বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰৰ। অনুষ্ঠানটিৰ আঁত ধৰিব অৰুণিমা গোস্বামীয়ে।

০০০০০

সমাপ্ত